# NSD NEWS BULLETIN

AKASHVANI, GUWAHATI

0000000000

**Date :** 26-08-2024
**Time :** 19.10 hrs

# Assamese Evening Bulletin

## HEADLINES

১। ভাৰত আৰু ছিংগাপুৰৰ মাজৰ মন্ত্ৰী পৰ্যায়ৰ দ্বিতীয়খন ঘূৰণীয়া মেজমেল আজি অনুষ্ঠিত হয়। বৈঠকত ভাৰত আৰু ছিংগাপুৰৰ বাণিজ্য আৰু অৰ্থনৈতিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে আলোচনাত মিলিত হয়।

২। জম্মু-কাশ্মীৰৰ সমাগত বিধান সভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিজেপিয়ে আজি ১৬ গৰাকী প্ৰাৰ্থীৰ এখন সংশোধিত তালিকা প্ৰকাশ কৰিছে।

৩। সমগ্ৰ দেশতে আজি ধৰ্মীয় ৰীতি নীতিৰে ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালন কৰা হৈছে। ***আৰু***

৪। পেৰিছত পৰহিৰে পৰা হবলগীয়া পেৰা অলিম্পিক ক্ৰীড়া সমাৰোহত ভাৰতৰ ৮৪ জনীয়া দলে অংশগ্ৰহণ কৰিব।

০০০

ভাৰত আৰু ছিংগাপুৰৰ মাজৰ মন্ত্ৰী পৰ্যায়ৰ দ্বিতীয়খন ঘূৰণীয়া মেজমেল আজি অনুষ্ঠিত হয়। বৈঠকত ভাৰত আৰু ছিংগাপুৰৰ নেতাসকলে দুয়োখন দেশৰ মাজত বাণিজ্য আৰু অৰ্থনৈতিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে আলোচনাত মিলিত হয়। দুয়োপক্ষই আই এছ এম আৰৰ আধীনত চিনাক্ত কৰা ডিজিটেলাইজেশ্বন, দক্ষতা বিকাশ, বহনক্ষমতা, স্বাস্থ্য সেৱা আৰু চিকিৎসা, আৰু উন্নত উৎপাদন আৰু সংযোগ আদি ছটা বিষয়ৰ ওপৰত আলোচনা কৰে। আজিৰ বৈঠকত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমন, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰ, ৰেলৰে, তথ্য আৰু সম্প্ৰচাৰ আৰু ইলেকট্ৰনিক মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেলে অংশগ্ৰহণ কৰে। ছিংগাপুৰৰ পৰা অহা প্ৰতিনিধি দলটোৰ নেতৃত্ব বহন কৰে ছিংগাপুৰৰ উপ প্ৰধানমন্ত্ৰী গান কিম য়ঙে। আজিৰ বৈঠকত এছিয়ান আৰু জি টুৱেণ্টি উন্নয়নকে ধৰি আঞ্চলিক আৰু বিশ্বজনীন সহযোগিতাৰ সমান্তৰালভাৱে ভাৰত আৰু ছিংগাপুৰৰ কূটনৈতিক সম্পৰ্কৰ ৬০ বছৰীয়া জয়ন্তী উদযাপনৰ পৰিকল্পনা সন্দৰ্ভতো আলোচনা কৰা হয়। নেতাসকলে কয় যে, এই এছ এম আৰৰ প্ৰথম ৰাউণ্ডৰ সময়ত হোৱা আলোচনাৰ ফলত স্বাস্থ্য সেৱা, শিক্ষা, দক্ষতা বিকাশ, ডিজিটেল সহযোগিতা আৰু অৰ্ধপৰিবাহী পৰিবেশ তন্ত্ৰৰ অধীনত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। ইয়াৰ আগেয়ে ভাৰতীয় মন্ত্ৰীসকলে ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থৰ্মন ছানমুগাৰাত্নম আৰু ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱঙক সাক্ষাৎ কৰে। তেওঁলোকে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হৈ ছিংগাপুৰৰ ৰাষ্ট্ৰপতিক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ড০ জয়শংকৰে কয় যে, থৰ্মন ছানমুগাৰাত্নমৰ নেতৃত্বত ভাৰত ছিংগাপুৰৰ কৌশলগত অংশীদাৰিত্বক অধিক আগুৱাই নিয়াৰ উপায়ৰ বাবে ভাৰতে তেওঁৰ শলাগ

লয়। উল্লেখযোগ্য যে, ভাৰত আৰু ছিংগাপুৰৰ দ্বিপাক্ষিক সম্পৰ্কক নতুন শিখৰলৈ লৈ যোৱাৰ উদ্দেশ্যে কাৰ্য ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰতিষ্ঠা কৰা আই এছ এম আৰ হৈছে এটা অনন্য ব্যৱস্থা। ২০২২ চনৰ ছেপ্টেম্বৰত  ইয়াৰ উদ্বোধনী বৈঠক অনুষ্ঠিত হৈছিল।

আজি অনুষ্ঠিত হোৱা বৈঠকে উভয় পক্ষকে তেওঁলোকৰ কৌশলগত অংশীদাৰিত্বৰ বিভিন্ন দিশ পৰ্যালোচনা কৰা আৰু অধিক উন্নত কৰি তোলাৰ পথ প্ৰশস্ত কৰে। ভাৰতত প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ ক্ষেত্ৰত ছিংগাপুৰ প্ৰধান উৎস হিচাপে পৰিগণিত হৈ আহিছে। ২০২৩-২৪ চনত ভাৰতীয় বজাৰত ছিংগাপুৰে এহেজাৰ ১৭৭ কোটি ডলাৰ বিনিয়োগেৰে প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ ক্ষেত্ৰত সৰ্বাধিক বিনিয়োগকাৰী হিচাপে চিহ্নিত হৈছে। ইপিনে দ্বিপাক্ষিক বিনিয়োগৰ ক্ষেত্ৰত ২০২৩-২৪ বৰ্ষত সৰ্বমুঠ ৩ হাজাৰ ৫৬১ কোটি ডলাৰৰ ব্যৱসায়েৰে  ছিংগাপুৰ ভাৰতৰ ষষ্ঠ বৃহৎতম গোলকীয় বাণিজ্যিক অংশীদাৰত পৰিণিত হৈছে।

০০০

জম্মু-কাশ্মীৰৰ সমাগত বিধান সভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিজেপিয়ে আজি ১৬ গৰাকী প্ৰাৰ্থীৰ এখন সংশোধিত তালিকা প্ৰকাশ কৰিছে। দলে পাম্পৰৰ পৰা ছৈয়দ চৌকত গায়ুৰ আনদ্ৰবী, চোপিয়ানৰ পৰা জাভেদ আহমেদ কাদ্ৰি, ৰাজপ'ৰাৰ পৰা আৰ্ছিদ ভাট, অনন্তনাগৰ পৰা অধিবক্তা ছৈয়দ ৱাজাহাট, কিষ্টৱাৰৰ পৰা সুশ্ৰী শগুন পৰিহাৰ, ডোদাৰ পৰা গজয় সিং ৰাণা আৰু কোকেৰনাগৰ পৰা চৌধাৰী ৰৌছন হুছেইন গুজ্জাৰক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। ইপিনে, ৰাকেশ ঠাকুৰৰ পৰা ৰামবনৰ পৰা ছেলিম ভট্টই বনিহালৰ পৰা শক্তি ৰাজ পৰিহাৰে  ডোদা পশ্চিমৰ পৰা প্ৰতিদ্বন্দিতা আগবঢ়াব। ইয়াৰ আগেয়ে বিজেপিয়ে  ৪৪ গৰাকী প্ৰাৰ্থীৰ এখন তালিকা প্ৰকাশ কৰিছিল। অৱেশ্য পাছত এই তালিকাখন প্ৰত্যাহাৰ কৰা হয়। জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচন অহা মাহৰ ১৮ তাৰিখৰ পৰা তিনিটা পৰ্যায়ত অনুষ্ঠিত হ'ব। ৪ অক্টোবৰত জম্মু-কাশ্মীৰৰ ৯০ খন বিধান সভা আসনৰ বাবে অনুষ্ঠিত নিৰ্বাচনৰ ভোট গণনা কৰা হ'ব।

০০০

সমগ্ৰ দেশতে আজি ধৰ্মীয় ৰীতি নীতিৰে প্ৰভু শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালন কৰা হৈছে। এই উপলক্ষে ভক্তপ্ৰাণ ৰাইজে মন্দিৰত গৈ পূজা-অৰ্চনা কৰিছে। উত্তৰ প্ৰদেশৰ মথুৰা আৰু বৃন্দাবনত উলহ-মালহেৰে শ্ৰীকৃষ্ণৰ জন্মোৎসৱ উদযাপন কৰা হৈছে। প্ৰভু শ্ৰীকৃষ্ণৰ জন্মস্থান মথুৰাৰ বাঁকে বিহাৰী মন্দিৰ, প্ৰেম মন্দিৰ, ইস্কন মন্দিৰ আৰু শ্ৰীকৃষ্ণ জনমভূমি মন্দিৰকে ধৰি হাজাৰ হাজাৰ মন্দিৰ এই উপলক্ষে সুন্দৰভাৱে সজাই তোলা হৈছে।

অসমতো শ্ৰীশ্ৰীকৃষ্ণ জন্মাষ্টমী উলহ-মালহেৰে পালন কৰা পৰিলক্ষিত হৈছে। সত্ৰপীঠ মাজুলী, বৰপেটা জিলাৰ সৰভোগৰ গৰখীয়া গোসাঁই থানৰ লগতে বৰপেটা সত্ৰ, সুন্দৰীদিয়া সত্ৰ আৰু পাটবাউসী সত্ৰত পুৱাৰ পৰাই নাম-প্ৰসংগ, নৃত্য-গীত আদি পৰিৱেশন কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি জন্মাষ্টমীৰ প্ৰাকক্ষণত দেশবাসী তথা প্ৰবাসী ভাৰতীয়সকললৈ শুভেচ্ছা জ্ঞাপন কৰে। এটা বাৰ্তাৰ জৰিয়তে ৰাষ্ট্ৰপতিয়ে কয় যে, এই উৎসৱে আমাক ভগৱান শ্ৰীকৃষ্ণৰ ঐশ্বৰিক আদৰ্শৰ প্ৰতি নিজকে সমৰ্পিত কৰাৰ বাবে উৎসাহিত কৰে। শ্ৰীমতী মুৰ্মুৱে শ্ৰীমদ্ভাগৱৎ গীতাত থকা শ্ৰীকৃষ্ণ আৰু অৰ্জুনৰ কথোপকথনক সমগ্ৰ মানৱ জাতিৰ বাবে উত্তৰণ আৰু প্ৰেৰণাৰ শাশ্বত উৎস বুলি আখ্যা দিয়ে। তেওঁ শ্ৰীকৃষ্ণৰ

আদৰ্শেৰে পৰিচালিত হোৱাৰ লগতে দেশৰ সমৃদ্ধি তথা প্ৰগতিৰ বাবে কাম কৰাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

উপ-ৰাষ্ট্ৰপতি জগদ্বীপ ধনখড়ে এই উপলক্ষে ৰাইজক শুভেচ্ছা জনায় তেওঁ কয় যে জন্মাষ্টমী হৈছে গভীৰ আধ্যাত্মিক তাৎপৰ্যৰ দিন। তেওঁ লগতে ভগৱান শ্ৰীকৃষ্ণৰ কালজয়ী শিক্ষাক সকলোৰে জীৱনত প্ৰতিফলিত কৰিবলৈ আৰু সমাজত ঐক্য শান্তি আৰু সম্প্ৰতি গঢ়ি তুলিবলৈ আহ্বান জনায়। আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰে।

অসমৰ ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই জন্মাষ্টমী উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে কয় যে, জন্মাষ্টমী হৈছে ধৰ্ম, কৰ্ম আৰু সত্যৰ প্ৰতিমূৰ্তি শ্ৰীকৃষ্ণৰ জন্মদিন উদ্‌যাপন কৰা এটা উপলক্ষ্য। সেয়েহে ভগৱান শ্ৰীকৃষ্ণৰ পূজা অৰ্চনাই আমাক এই গুণসমূহৰ প্ৰতি নিজকে সমৰ্পিত কৰাৰ বাবে অনুপ্ৰাণিত কৰে আৰু আমাক সত্য পথত আগবাঢ়ি যাবলৈ পথ দেখুৱায়।

অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও জন্মাষ্টমী উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰে। শ্ৰীকৃষ্ণৰ কৃপা দৃষ্টিয়ে সকলোৰে জীৱনলৈ সুখ আৰু শান্তিৰ বতৰা কঢ়িয়াই আনিব বুলি তেওঁ প্ৰকাশ কৰে।

ooo

কেন্দ্ৰীয় অনুসন্ধান সংস্থা চি বি আয়ে কলকাতাৰ আৰ জি কৰ  চিকিৎসালয়ৰ বিত্তীয় অনিয়ম সন্দৰ্ভত অনুসন্ধান অব্যাহত ৰাখিছে। সংস্থাটোৰে চহৰখনৰ বিভিন্ন প্ৰান্তত এই সনন্দৰ্ভত অনুসন্ধান বাহাল ৰখাৰ লগতে আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সন্দীপ ঘোষ আৰু ফৰেন্সিক বিভাগৰ দেৱাশিষ সোমকে ধৰি কেইবাগৰাকীও লোকক জেৰা কৰি আছে। চি বি আইয়ে এই সন্দৰ্ভত কালি ১৫টা স্থানত অনুসন্ধান চলায়।

ইপিনে পশ্চিমবংগৰ সকলো চৰকাৰী চিকিৎসা মহাবিদ্যালয় তথা চৰকাৰী চিকিৎসা প্ৰতিষ্ঠানত কণিষ্ঠ চিকিৎসকসকলে প্ৰতিবাদ অব্যাহত ৰাখিছে। পশ্চিমবংগ কণিষ্ঠ চিকিৎসক সংস্থাই আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ সঠিক অনুসন্ধান তথা অভিযুক্তৰ দৃষ্টান্তমূলক শাস্তি, চিকিৎসা মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ চন্দীপ ঘোষৰ বৰ্খাস্তকৰণ আৰু কলকাতাৰ আৰক্ষী আয়ুক্ত বিনিত কুমাৰ গোৱেলৰ পদত্যাগৰ দাবী তুলিছে। কণিষ্ঠ চিকিৎসক সংস্থাই কলকাতা আৰক্ষী আয়ুক্তগৰাকীক তদন্তৰ আওতালৈ অনাৰ দাবী কৰাৰ লগতে পশ্চিমবংগৰ সকলো চিকিৎসা মহাবিদ্যালয়ৰ ভয়ৰ ৰাজনীতিৰ শীঘ্ৰে অন্ত পেলাবলৈ দাবী জনাইছে।

ooo

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে দৃঢ়তাৰে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰৱৰ্তন কৰা নতুন বায়'-ইথ্রি নীতিয়ে অনাগত দিনত ভাৰতক বিশ্বৰ আগশাৰীৰ দেশ হিচাপে পৰিগণিত কৰিব। নতুন দিল্লীত নতুন জৈৱ অৰ্থনৈতিক নীতিক সম্বোধন কৰি ড০ সিঙে কয় যে, দেশৰ জৈৱ অৰ্থনীতিয়ে ২০১৪ চনৰ এহেজাৰ কোটি আমেৰিকান ডলাৰৰ পৰা ২০২৪ চনত ১৩ হাজাৰ কোটি আমেৰিকান ডলাৰলৈ উল্লেখযোগ্য বৃদ্ধি প্ৰতিফলিত কৰিছে। মন্ত্ৰীগৰাকীয়ে কয় যে, নতুন বায়' ইথ্রি নীতি জলবায়ু পৰিৱৰ্তন আৰু অ-নৱীকৰণযোগ্য সম্পদৰ অভাৱৰ দৰে থকা গোলকীয় প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰস্তুত কৰি তোলা হৈছে। তেওঁ লগতে কয় যে, এই নীতিয়ে জৈৱ ভিত্তিক সামগ্ৰীৰ বিকাশত উৎসাহ যোগাব আৰু নিয়োগ সৃষ্টিৰ সম্প্ৰসাৰণত  সহায় কৰিব বুলিও আশা কৰা হৈছে।

০০০

পেৰিছত পৰহিৰে পৰা পেৰালিম্পিক ক্ৰীড়া সমাৰোহ অনুষ্ঠিত হ'ব। ১১ দিনীয়া এই প্ৰতিযোগিতাখন অহা ৮ ছেপ্তেম্বৰত সামৰণি পৰিব। এইবাৰ প্ৰতিযোগিতাত ভাৰতৰ ৮৪ জনীয়া দলে ভাগ ল'ব। ক্ৰীড়া মন্ত্ৰী ডঃ মনসুখ মন্দাভিয়াই সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত দেশবাসীক পেৰালিম্পিকত অংশগ্ৰহণ কৰা ভাৰতীয় খেলুৱৈসকলক CHEER 4 BHARAT শ্ল'গানেৰে উৎসাহিত কৰাৰ বাবে আহ্বান জনাইছে।

০০০

ঃঃ সমাপ্ত ঃঃ